# পৰিশিষ্ট-১

**বাৰ্ধক্যৰ অভিজ্ঞতা ঃ**

■ বৰপুত্ৰৰ বিয়োগ, আকস্মিকভাৱে পৰি হোৱা দুৰ্ঘটনা আৰু ভৰিৰ জটিল অস্ত্ৰোপচাৰ ইত্যাদি কাৰকসমূহে চাৰিকুৰি পোন্ধৰ বছৰীয়া সাহিত্যাচাৰ্য নলিনীধৰ ভট্টাচাৰ্যক বাৰ্ধক্যত কিছু প্ৰভাৱিত কৰিছে। শাৰীৰিক অৱক্ষয় সত্বেও নিৰলস সাহিত্য-সাধনাত ৰত এইগৰাকী অসমীয়া সাহিত্যিকৰ বাৰ্ধক্যৰ অনুভৱ পূৰ্ণ ভট্টাচাৰ্যই লোৱা সাক্ষাৎকাৰত এনেদৰে প্ৰকাশ পাইছে—

"জীৱনটোক সদায় কেনেকৈ অগ্ৰগতিৰ পথত নিব পাৰি তাৰ চেষ্টা কৰিছিলোঁ। বিদ্যা গুণ প্ৰয়োজনীয় বস্তু, তাক দলিয়াই নেপেলাবলৈ যত্ন কৰিছিলোঁ। এইটো কথা নহয় যে আমি বাধ্য এইটো কাম (সাহিত্য সাধনা) কৰিবলৈ। বয়স হওক, যি হওক আমি জীৱনকহে প্ৰধান বুলি ভাবিব লাগিব। জীৱন সুন্দৰ কৰিব লাগিব, সেই লক্ষ্য অন্তৰত আছিল বাবে এই চেষ্টা কৰিছিলোঁ।"

(পূৰ্ণ ভট্টাচাৰ্য, 'নিজৰ উপকাৰ হোৱাক প্ৰাপ্তি নোবোলে— আনৰ উপকাৰ হোৱাটোৱেই প্ৰাপ্তি' ঃ নলিনীধৰ ভট্টাচাৰ্য, লক্ষ্মীনন্দন বৰা (সম্পা.), *গৰীয়সী* , ত্ৰয়োবিংশ বছৰ, দ্বাদশ সংখ্যা, ছেপ্টেম্বৰ, ২০১৬, পৃ. ২৭)

■ কবি নীলমণি ফুকনৰ বাৰ্ধক্যৰ অনুভৱ ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্যই লোৱা সাক্ষাৎকাৰত এনেদৰে প্ৰকাশ পাইছে—

"জীৱনৰ কৰ্মক্ষেত্ৰখনৰ পৰা সকলো ব্যক্তিয়েই এদিন নহয় এদিন অৱসৰ লয়েই। সৰহভাগ ব্যক্তিয়েই কৰ্মক্ষেত্ৰখনৰ পৰা অৱসৰ লৈ নিঃসংগ নিৰ্জন দ্বীপত অৱস্থান কৰে। বন্ধু-বান্ধৱ কমি আহে। মনলৈ আহে অৱসাদ। আহে হতাশা। অৱসৰৰ পাছত আজিৰ এই মুহূৰ্তলৈ মান্যবৰ নীলমণি ফুকনদেৱৰ ক্ষেত্ৰত নিঃসংগতাই গা কৰি উঠিব পৰা নাই। বৰঞ্চ অৱসৰৰ পাছত তেখেতে কবিতা-শিল্প-কলাৰ জগতত আগতকৈ দুগুণ উৎসাহেৰে কাম কৰি গৈ আছে। আলস্যক সৰ্বকালৰ বাবে বিদায় দি কৰ্মবিপ্লৱৰেই সূচনা কৰিছে।"

( ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য, 'দুজন কবিৰ সৈতে দুবেলা' অনুৰাধা শৰ্মা, পূজাৰী (সম্পা.), *সাতসৰী*, চতুৰ্দশ বছৰ, অষ্টম সংখ্যা, মাৰ্চ, ২০১৯, পৃ. ৬৩)

■ ঔপন্যাসিক নিৰুপমা বৰগোহাঞিৰ বাৰ্ধক্যৰ অনুভৱ অতনু ভট্টাচাৰ্যই লোৱা সাক্ষাৎকাৰত এনেদৰে প্ৰকাশ পাইছে --

"Nature I love; next to nature I love none— মোৰো জীৱনৰ কথা সেইটোৱেই— মোৰ সাহিত্যপ্ৰীতি তেনেকুৱা। মোৰ আৰু কিছু চখ আছে— বাগান কৰা, চিলাই কৰা, ৰন্ধা-বঢ়া কৰা— কিন্তু প্ৰাণভৰি ভাল পাওঁ সাহিত্য। আমাৰ বয়সত বিক্ষিপ্ত চিন্তা অহাৰ সুযোগো নাছিল।...

...এতিয়া মই ক'ব পাৰোঁ যে এতিয়া অসুখী হ'বলৈ একো নাই। *গ্ৰহ-নক্ষত্ৰ* বুলি বাংলা কিতাপ এখন পঢ়িছিলো। সেইখন পঢ়ি মনত প্ৰশ্ন জাগিছিল— ইমান বিশাল বিশ্বব্ৰহ্মাণ্ডৰ বিৰাট পটভূমিত আমি কোনখন পৃথিৱীত আছোঁ? উপলব্ধি হৈছিল— আমি কোন, আমি একোৱেই নহয়। আকৌ ভাবোঁ জীৱনটোৰ কিবা এটা নিশ্চয় অৰ্থ আছে। নহ'লে ইমান বিশাল জীৱন এটা— ইমান complicated জীৱন এটা কিয় সৃষ্টি হ'ল।...

মই সাংসাৰিক জীৱনেই ভাল পাইছিলোঁ। লেখক হোৱাৰ তেনে কোনো বাসনা নাছিল। মোৰ কোনো ambition নাছিল। মই বহুত পুৰস্কাৰ পাইছোঁ। কিন্তু সেইবোৰৰ প্ৰতি মোৰ বাসনা নাছিল।"

( অতনু ভট্টাচাৰ্য, 'এতিয়া মোৰ অসুখী হ'বলৈ একো নাই', অনুৰাধা শৰ্মা পূজাৰী (সম্পা.), *সাতসৰী*, একাদশ বছৰ, নৱম সংখ্যা, মে', ২০১৬, পৃ. ৭২ )

■ লক্ষ্যধৰ চৌধুৰীয়ে বাৰ্ধক্যৰ অনুভৱ এনেদৰে প্ৰকাশ কৰিছে—

"বাৰ্ধক্যতো মধুৰতা আছে। বিষাদ, অৱসাদ আছে। মই কিন্তু বিষাদ, অৱসাদখিনি বাদ দি মধুৰতাখিনিক লালন-পালন কৰোঁ। যি আনন্দও দিয়ে। ১৯৯২ চনত আমি কুমাৰ ভাস্কৰ নাট্যমন্দিৰৰ আধুনিকীকৰণৰ নতুনকৈ সাজিবলৈ লোৱা আঁচনি সম্পৰ্কীয় এখন সভাত মিলিত হওঁ। তাত প্ৰেক্ষাগৃহ ভঙাৰ আগতে এখন নাট অভিনয়ৰ কথা উঠে। সিদ্ধান্ত হয় বয়োজ্যেষ্ঠসকলে অভিনয় কৰিব, আৰু নাট হ'ব 'ঠিকনা'। পিছদিনা বাতৰিকাকতত এই সন্দৰ্ভত এটি বাতৰি ওলাল। অভিনয়ৰ দিনা কুমাৰ ভাস্কৰ নাট্যমন্দিৰৰ সন্মুখত বিৰ দি বাট পাবলৈ নোহোৱা অৱস্থা। আনকি মাতিলেও নহা দূৰদৰ্শনৰ লোকে ছবি তুলিবলৈ কাকূতি-মিনতি। এইটো কিয় হৈছিল জানেনে? আমি সৰুৰে পৰা অভিনয় কৰি এতিয়া বুঢ়াকালত

[redacted]

অভিনয় কৰিবলৈ ওলোৱা কথাত। অভিনয়ৰ সময়ত প্ৰতিজন অভিনেতা-অভিনেত্ৰী ওলোৱাৰ লগে লগে দৰ্শকৰ জাউৰিয়ে জাউৰিয়ে হাততালি। সুন্দৰ পৰিৱেশ, সুন্দৰ দৰ্শকৰ আদৰ। এয়া সম্ভৱ হৈছিল আমাৰ বাৰ্ধক্যৰ কাৰণে। আন এটা উদাহৰণ মোৰাৰজী দেশাই। আজিও দেশাইৰ কত যে নাম ওলায় প্ৰধান মন্ত্ৰী নোহোৱাকৈও। তেওঁ কি খায় তাকো বাতৰিকাকতৰ পাতে পাতে। এয়া হৈছে বাৰ্ধক্যৰ কাৰণে।”

(দিব্যলতা দত্ত, ‘জীৱনৰ তিনিটা জটিল প্ৰশ্ন আৰু উত্তৰ’, অনুৰাধা শৰ্মা পূজাৰী (সম্পা.), *সাতসৰী*, একাদশ বছৰ, প্ৰথম সংখ্যা, আগষ্ট, ২০১৫, পৃ. ২১)

■ কবি নবকান্ত বৰুৱাৰ বাৰ্ধক্যৰ অনুভৱ হোমেন বৰগোহাঞিয়ে লোৱা সাক্ষাৎকাৰত এনেদৰে প্ৰকাশ কৰিছে—

“ইমানপৰে আপোনাৰ কথাবোৰৰ উত্তৰ দি থাকোঁতে মোৰ মনলৈ জীৱন আৰু জীৱিকাৰ সংঘাতটো অহাই নাছিল। মই সকলোখিনি কথাই ৰণ-কবি হিচাপেই উত্তৰ দি গৈছিলোঁ। কিন্তু জীৱিকাৰ কাৰণে যে মই কবিতা পঢ়াব লাগে বা আন কিবা কাম কৰিব লাগে সেই কথাটো মনলৈ অহাই নাছিল। জীৱিকাৰ পৰিশ্ৰমৰ অৱসৰ সময়খিনি কাব্য ৰচনাত খৰচ কৰি কাব্যক অৱসৰ ৰঞ্জন হিচাপে লৈছোঁ বুলি মই ক’ব নোৱাৰোঁ। জীৱনযাত্ৰাৰ তাড়নাত এটা জীৱিকা বাছি লৈছোঁ, যিটোত অলপ অৱসৰ আছে, পুথি-পাঁজিৰ লগত সম্বন্ধ আছে আৰু দেশৰ তৰুণৰ লগত কিছু সংযোগ আছে। কিন্তু ভয়ে ভয়ে কওঁ, মনৰ তাড়নাত কেতিয়াবা হয়তো জীৱিকাৰ দাবীকো অৱহেলা কৰিছোঁ। মোৰতো ভয়েই লাগে কোনোবা ওপৰৱালা বিষয়াই কেতিয়াবা Confidencial Report ত লিখিব পাৰে— He is a poet during the class hours and a professor outside. অলপ বাজে বকিছোঁ নেকি? আজৰি সময়ত কৰি ভাল পোৱা কাম মোৰ আছিল শাকনি-ফুলনিত কিছু সময় খৰচ কৰা। কিন্তু গুৱাহাটীত মোৰ অৱস্থা অশ্বত্থমাৰ দৰেই হৈছে। গাখীৰৰ পিয়াহ পূৰাইছোঁ পিঠাগুড়িৰে কৰা পানীৰে— শাকনি-ফুলনিৰ হেঁপাহ পলুৱাইছোঁ টাবত গছপুলি খুঁচৰি। জাপানী ধৰণৰ ‘মিনি গাৰ্ডেন’ দুখনমান কৰিছিলোঁ, পিছলৈ অযত্নত গছবোৰ ডাঙৰ হৈ গ’ল। আৰু এটা আগ্ৰহ আছিল আকাশৰ তৰা চোৱা— মোৰ এজন আত্মীয়ই (মোৰ শহুৰ লক্ষ্মীনাথ দাস) মোক তাৰ বাবে এটা দূৰবীণ সাজি দিছিল। এতিয়া চকুৰ অসুখৰ বাবে সেইটোতো অলপ বাধা পৰিছে। সম্পূৰ্ণ

[redacted]

আয়োজনহীন মোৰ অৱসৰৰ সময়খিনি কটাই দিওঁ মনে মনে বহি থাকি।

(হোমেন বৰগোহাঞিঃ, 'কবি-মানস নৰকান্ত বৰুৱাৰ লগত হোমেন বৰগোহাঞিৰ এটি সাক্ষাৎকাৰ' (হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত 'নীলাচল'ৰ ১৬৬৯ চনৰ এপ্ৰিল সংখ্যাৰ আলোচনীৰ পৰা), লক্ষ্মীনন্দন বৰা (সম্পা.), *গৰীয়সী*, সপ্তবিংশ বছৰ, পঞ্চম সংখ্যা, ফেব্ৰুৱাৰী, ২০২০, পৃ. ১০৪)

■■■■

[redacted]

## পৰিশিষ্ট-২

### বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ ঔপন্যাসিকসকল



নিৰুপমা  বৰগোহাঞি



অৰুণ শৰ্মা




হোমেন বৰগোহাঞি




শীলভদ্ৰ (ৰেবতী মোহন দত্ত চৌধুৰী)

## পৰিশিষ্ট-৩


### বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বেটুপাত




নিৰুপমা বৰগোহাঞিৰ
*এজন বুঢ়া মানুহ*





অৰুণ শৰ্মাৰ
*উভলা শিপা*





হোমেন বৰগোহাঞিৰ
*অস্তৰাগ*




শীলভদ্রৰ *অনুসন্ধান*




অনুৰাধা শৰ্মা পূজাৰীৰ
*জলছবি*





যতীন গোস্বামীৰ

*বুঢ়া আৰু সাগৰ*

(আৰ্নেষ্টি হেমিংৱেৰ


*দ্য অ'ল্ড মেন এণ্ড দ্য ছীৰ*

ভাঙনি)





অমৰেশ দত্তৰ

*বানপ্ৰস্থ* (অনু. মুনীন শৰ্মা)





জিতুমণি বৰাৰ

*শেষ পৃষ্ঠা*




নিৰ্মল বৰ্মাৰ

*অন্তিম অৰণ্য*




মমতা কালিয়াৰ

*দৌড়*